# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-06-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি আয়োগৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত এই নিযুক্তি প্ৰক্ৰিয়াৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই হ'বলগীয়া দক্ষতা পৰীক্ষাসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে তেওঁ আজি বৰাক উপত্যকাৰ মন্ত্ৰী, বিধায়ক আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ বিষয়াসকলৰ সৈতে অঞ্চলটোৰ উন্নয়নৰ সৈতে জড়িত এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বৰাকৰ তিনিওখন জিলাত সম-উন্নয়ন  নিশ্চিত কৰাৰ উদ্দেশ্যে কেইবাটাও পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসামৰিক চিকিৎসালয়সমূহত এম আৰ আইৰ সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত বিভাগীয় সমন্বয় অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। বৈঠকত বৰাকত সাংস্কৃতিক আৰু ক্ৰীড়া মহোৎসৱৰ পৰিকল্পনাৰ উপৰি দিল্লী আৰু কলকাতাত প্ৰস্তাৱিত বৰাক ভৱন সন্দৰ্ভতো আলোচনা কৰা হয়। ড০ শৰ্মাই আজি গেলেফু মাইণ্ডফুলনেছ চিটী প্ৰকল্পৰ মুখ্য কাৰ্যকৰী দলৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁ অসম-ভূটানৰ দ্বিপাক্ষিক সহযোগিতা, যুৱ শক্তিৰ উত্তৰণৰ উপৰি গেলেফু নগৰ প্ৰকল্পৰ সফল কাৰ্যকৰীকৰণৰ বিষয়ত আলোচনা কৰে।

০০০০০

উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰাৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শকে এটা নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি কাইলৈৰ পৰা নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা চাৰে ১১ বজালৈ, মধ্য ইংৰাজী বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ কৰা হ'ব। বিদ্যালয়সমূহক লগতে প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰত অথবা ছাঁ পৰা স্থানত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত থকা সময়ছোৱাত পৰ্যাপ্ত পৰিমাণে পানী খোৱাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ প্ৰাংগণত খোৱাপানীৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত যাতে ভালদৰে বতাহ চলাচল কৰিব পাৰে আৰু সকলো বৈদ্যুতিক ফেন কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

আসাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নে ট্ৰিবিউন গোষ্ঠীৰ বৰ্তমানৰ বিত্তীয় সংকটৰ সমাধানৰ বাবে চৰকাৰৰ পৰা বিজ্ঞাপনৰ বাবদ পাবলগীয়া ধন সময়মতে আদায় দিবলৈ অসম চৰকাৰক অনুৰোধ জনাইছে। আজি দুপৰীয়া গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত ইউনিয়নৰ সভাপতি শিৱপ্ৰসাদ ডেকা আৰু সাধাৰণ সম্পাদক দুগ্ধৰাম কলিতাই কয়, যে ট্ৰিবিউন গোষ্ঠীৰ কৰ্মচাৰীসকলে  যোৱা মাৰ্চ মাহৰ দৰমহাৰ

৭৫ শতাংশ লাভ কৰিছে আৰু এপ্ৰিল আৰু মে’ মাহৰ দৰমহা আজি পৰ্যন্ত লাভ কৰা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত ইউনিয়নে যোৱা ১৩ মে’ৰ পৰা আসাম ট্ৰিবিউন পৰিসৰত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই ৮৭ বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা আসাম ট্ৰিবিউন কাকতে অসমীয়া জাতীয় জীৱনৰ সমৃদ্ধি আৰু জাতীয় সমস্যাৱলী সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি কৰ্মচাৰী সংগঠনটোৱে মন্তব্য কৰে। বৰ্তমান সময়ত সামাজিক মাধ্যমত আসাম ট্ৰিবিউন গোষ্ঠীৰ মালিকনা হস্তান্তৰণকে ধৰি কেতবোৰ বাতৰি প্ৰকাশ হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইউনিয়নৰ স্থিতি স্পষ্ট কৰাৰ বাবেই আজিৰ এই সংবাদমেলৰ প্ৰয়োজন হৈছে বুলি সভাপতি ডেকা আৰু সাধাৰণ সম্পাদক কলিতাই মন্তব্য কৰে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পটভূমিত অসমীয়া কাকত আলোচনীত ৰক্ষা কৰাৰ বাবে চৰকাৰে অধিক সক্ৰিয় ভূমিকা ল’ব লাগে বুলিও তেওঁলোকে মত প্ৰকাশ কৰে।

ooooo

কৃষিমন্ত্ৰী তথা নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই আজি মুখ্যমন্ত্ৰী নগৰীয়া মহিলা উদ্যমিতা অভিযানৰ জিলা পৰ্যায়ৰ কাম-কাজ পৰ্যালোচনা কৰাৰ বাবে সাংসদ ফণীভূষণ চৌধুৰীৰ সৈতে ভিডিঅ’ কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হয়। এই বৈঠকত আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লৈ মহিলাসকলক উপকৃত কৰিব পৰাকৈ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত যাৱতীয় কাম-কাজসমূহ সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। জিলাখনত মিছন বসুন্ধৰা, অৰুণোদয়, অসম মালাকে ধৰি বিভিন্ন চৰকাৰী কল্যাণকামী আঁচনি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী বৰাই সেই সন্দৰ্ভত কয় যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলক গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগীলৈ ৰূপান্তৰ কৰাৰ লক্ষ্য লোৱা হৈছে। এই আঁচনিৰ জৰিয়তে হিতাধিকাৰীসকলৰ সৈতে আৰ্থিক সাহায্য লাভ কৰি বছৰি কমেও এক লাখ টকাকৈ উপাৰ্জন কৰিবলৈ সমৰ্থ হ’ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

অসম চৰকাৰৰ পৰা ২০২৪-২৫ বৰ্ষৰ শিল্পী পেন্সন আৰু বাৰ্ষিক শিল্পী সন্মান প্ৰাপকসকলক আজি দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। জিলাখনৰ ৭ গৰাকী নিয়মীয়া শিল্পী পেন্সনপ্ৰাপক আৰু ১৪ গৰাকী বাৰ্ষিক শিল্পী পেন্সন সন্মান লাভ কৰা ব্যক্তিক আজি আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত দৰং জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শিল্পীসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানৰ পাছত জিলা আয়ুক্তগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জিলাখনত বৰ্তমান ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক কাম-কাজসমূহৰ বিষয়ে অৱগত কৰে।

ooooo

সমাপ্ত